জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

tal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

বছৰ, সংখ্যা ৬৭ ● সোমবাৰ ● ২৬ কাতি ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Monday November 13, 2023 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ প

**ষষ্ঠদশ দুলীয়াজান ৰাষ্ট্ৰীয় গ্ৰন্থমেলাত ছখন গ্ৰন্থ উন্মোচন**

## ব্ৰিটিছে ভাৰতৰ ইতিহাস যেনেদৰে লিখিছিল সেই ধাৰাটোকে এচামে বিস্তাৰ কৰি নি আছে ঃ ড° মৃদুল শৰ্মা

### আলোচনা-চক্ৰ, শ্ল'গান প্ৰতিযোগিতা



**দুলীয়াজান ঃ** নিজা প্ৰতিবেদক, ১২ নৱেম্বৰ ঃ সাহিত্যৰ মূল সাহ হ'ল মানুহ। মানুহ যেতিয়া সাহিত্যৰ সাহ হয়, তেতিয়া সাহিত্যই বিশ্বজনীনতা পায়। এই বক্তব্য বিশিষ্ট সাহিত্যিক অৰূপা পটংগীয়া কলিতাৰ। দুলীয়াজান সাহিত্য সভাৰ হীৰক জয়ন্তী বৰ্ষ উপলক্ষে কালিৰে পৰা দুলীয়াজান বিহুতলী প্ৰাংগণত অনুষ্ঠিত হোৱা ষষ্ঠদশ দুলীয়াজান ৰাষ্ট্ৰীয় গ্ৰন্থমেলাৰ আজি অনুষ্ঠিত হোৱা সমাজ, ইতিহাস আৰু ১১ পিঠিলৈ

## গোৱালপাৰাত চুৰি গাড়ীসহ দুটা চোৰক গ্ৰেপ্তাৰ

**গোৱালপাৰা ঃ** নিজা বাতৰি দিওঁতা, ১২ নৱেম্বৰ ঃ গোৱালপাৰা জিলাৰ মাটিয়াত চুৰি গাড়ীসহ দুটা চোৰ গ্ৰেপ্তাৰ হয় আৰক্ষীৰ হাতত। গ্ৰেপ্তাৰ হোৱা চোৰ দুটা হৈছে ক্ৰমে শিমলীতোলাৰ প্ৰাণজিৎ দাস আৰু গুৱাহাটীৰ ১১ পিঠিলৈ

জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

ততম বছৰ, সংখ্যা ৬৭ ● সোমবাৰ ● ২৬ কাতি ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Monday November 13, 2023 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ প

পোছাক পৰিধান ক

ীৰ ক্ষণত ক

হীনীক প্ৰশংস



৩৫ হ

চৰকাৰৰ প্ৰস্তাৱ

এছ এ-ষ্টেটপুল শিক্ষক

শীঘ্ৰেই চৰকাৰক জনাব

প্ৰতিক্ৰিয়া ঃ দৰমহ

*তিনি পিঠিৰ পৰা—*

## ব্ৰিটিছে ভাৰতৰ ইতিহাস...

সাহিত্য শীৰ্ষক ডম্বৰুধৰ মেধি সোঁৱৰণী আলোচনা-চক্ৰত মুখ্য আলোচক হিচাপে উপস্থিত থাকি তেওঁ এনেদৰে মন্তব্য কৰে। লগতে তেওঁ কয় যে শ্বাহিদ উল্লাহ নামৰ বাংলাদেশৰ লেখকগৰাকীয়ে পত্নীৰ ওপৰত হোৱা নিৰ্যাতনৰ যি চিত্ৰ তেওঁৰ সাহিত্যত দাঙি ধৰিছে একেই চিত্ৰ অসমত নিৰুপমা বৰগোহাঞিয়ে আৰু আমেৰিকাৰ টনি মৰিশ্যনেও তেওঁলোকৰ সৃষ্টিৰাজিৰ জৰিয়তে দাঙি ধৰিছে। দুলীয়াজান সাহিত্য সভাৰ সভাপতি ৰঞ্জন মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আলোচনা-চক্ৰখন ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° মৃদুল শৰ্মাই সঞ্চালনা কৰে। তেওঁ কয় যে ব্ৰিটিছসকলে ভাৰতৰ ইতিহাস যেনেদৰে লিখিছিল সেই ধাৰাটোকে এচামে বিস্তাৰ কৰি নি আছে। দ্বিতীয় ধাৰাটো হৈছে স্বদেশী আন্দোলনৰ সময়ত এক শ্ৰেণীৰ নতুন ইতিহাসকাৰ ওলাইছিল। তেওঁলোকে ভাৰতক নিজৰ চকুৰে চাইছিল। আৰু তৃতীয় ধাৰাটো হৈছে বিশেষ এটা মতবাদত বিশ্বাসী লোকসকল। লেখিকা পল্লৱী গগৈ বুঢ়াগোহাঁয়ে আঁতধৰা, অইল ইণ্ডিয়া লিমিটেডৰ কাৰ্যবাহী সঞ্চালক ৰাজীৱ বৰুৱাই উদ্বোধন কৰা আলোচনা-চক্ৰত উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী আধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই আলোচক হিচাপে উপস্থিত থাকি কয়, লিখিত ইতিহাস লিখা ব্যক্তিসকল কেতিয়াবা ৰজাৰ দ্বাৰা, কেতিয়াবা আন কোনো শক্তিৰ দ্বাৰা আৰু আজিকালি চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত হয় পৃথিৱীৰ সকলো দেশতে। গতিকে আমি বুৰঞ্জীবিলাকক তথ্য হিচাপে নিশ্চয় গ্ৰহণ কৰিম কিন্তু ইয়েই সৰ্বশেষ আৰু সৰ্ব সত্য হিচাপে গ্ৰহণ নকৰোঁ। ইফালে যষ্ঠদশ দুলীয়াজান ৰাষ্ট্ৰীয় গ্ৰন্থমেলা উপলক্ষে আজি পুৱা ছাত্ৰ-ছাত্ৰীৰ মাজত থলীতে ছবি আঁকা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখন উদ্বোধন কৰে জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অনুপ বেজবৰুৱাই। ইয়াৰ পাছতে অনুষ্ঠিত হোৱা শ্ল'গান প্ৰতিযোগিতা উদ্বোধন কৰে শিক্ষাবিদ চিত্ৰজিৎ শইকীয়াই আৰু দলীয় নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰে স্বপ্নালী চুতীয়া হাজৰিকাই। বিয়লি অনুষ্ঠিত হোৱা গ্ৰন্থ উন্মোচনী সভাত ছখন গ্ৰন্থ উন্মোচন কৰা হয়। অনুষ্ঠানটোত ড° গায়ত্ৰী দাসৰ 'ইমন বুমন' আখ্যান উন্মোচন কৰে ড° অৰবিন্দ ৰাজখোৱাই, পুণ্যপ্ৰভা খনিকৰৰ বিয়ানাম উন্মোচন কৰে অৰূপা পটংগীয়া কলিতাই, ৰাণুপ্ৰভা গগৈৰ 'বনফৰিং' উন্মোচন কৰে ড° চিত্ৰজিৎ শইকীয়াই। ৰূপালী হাজৰিকাৰ নিৰ্জনতা শব্দৰ মালিতা উন্মোচন কৰে ভূপেন শইকীয়াই। দীপিকা শইকীয়াৰ 'জুনুকা' উন্মোচন কৰে ড° মৃদুল শৰ্মাই আৰু ৰুবী ৰঞ্জনা গগৈৰ 'অপেক্ষা মাথোঁ এটা দিন' উন্মোচন কৰে ড° চিত্ৰজিৎ শইকীয়াই। গ্ৰন্থ উন্মোচনী সভাখন পৰিচালনা কৰে বিশিষ্ট গল্পকাৰ মিতালী মহন্তই। সন্ধিয়া অনুষ্ঠিত হোৱা মীনাক্ষি বৰুৱা সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে দুলীয়াজান থানাৰ পৰিদৰ্শক ভাস্কৰ শইকীয়াই।

## ৰাইজৰ বাবে...

## চমতীয়াপাৰাত দীপাৱলীত...

দীপাৱলী উপলক্ষে মন্দিৰৰ বাকৰিত পৰিচালনা সমিতিয়ে প্ৰস্তুত কৰা এক সু-সজ্জিত 'আলোক ক্ষেত্ৰ'ত দুহাজাৰ তেইশ গছি বন্তি প্ৰজ্বলন কৰা হয়। অসমীয়া ছবি জগতৰ বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়া, আলোচনা পন্থী আলফা নেতা প্ৰাণজিৎ ওৰফে ৰঞ্জু শইকীয়া, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াসহ তেইশগৰাকী বিশিষ্ট নাগৰিকে তেইশ গছি মুখ্য বন্তি প্ৰজ্বলন কৰে। সমান্তৰালকৈ আন দুহাজাৰ গছি বন্তি বিশিষ্ট ব্যক্তিৰ দ্বাৰা প্ৰজ্বলন কৰা হয়। ইয়াৰ আগতে কাৰ্যসূচী অনুসৰি পুৱা সাত বজাত সমূহীয়া পৰিৱেশ স্বচ্ছতা অভিযানৰ পিছতে মন্দিৰৰ মনিকুটৰ বন্তি প্ৰজ্বলন কৰে স্থায়ী দেউৰী নিৰ্মল কলিতাই। ধৰ্মধ্বজা উত্তোলন কৰে মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ৰামচন্দ্ৰ চহৰীয়াই। ইয়াৰ পিছতে ভাগৱত পাঠ আৰম্ভ হয়। আবেলি আয়তীৰ নাম প্ৰদৰ্শন আৰু নিজ সৰাবাৰীৰ নৱ জাগৰণ বাদক দলৰ শিল্পীবৃন্দৰ দ্বাৰা 'সুৰ সমলয়' পৰিৱেশন কৰা হয়।

## এন ডি এৰ সৈতে...

নস্যাৎ কৰে বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰী। হাগ্ৰামা মহিলাৰী আজি চহৰৰ সুভাষপল্লীত কালী মণ্ডপ এখনত দেৱীৰ আশিস বিচাৰি সন্ধিয়া উপস্থিত হয়। সাংবাদিকৰ সাক্ষাৎকাৰত মহিলাৰীয়ে কয়, বি পি এফ হিচাপে বিজেপিত যোৱা কথাটো দলৰ সিদ্ধান্ত নহয়। হয়তো কোনোবাই অপপ্ৰচাৰ চলাইছে। দলৰ সিদ্ধান্ত হ'ল বি পি এফে লোক সভা নিৰ্বাচন অকলে খেলিব। এইক্ষেত্ৰত অহা ৩০ নৱেম্বৰত বাক্সা জিলাৰ শিমলাত বি পি এফ দলৰ চি ডব্লিউ চিৰ সভা এখন অনুষ্ঠিত হ'ব। উক্ত সভাতে সকলো বিষয় আলোচনা কৰা হ'ব। এইক্ষেত্ৰত দলৰ পূৰ্বৰ যি সিদ্ধান্ত সেয়া সলনি হোৱা নাই বুলি হাগ্ৰামাই স্পষ্ট কৰি দিয়ে ।

## তিনিচুকীয়া জিলাত কোটি টকাৰ জুৱাৰ আড্ডা

কৰি লাখ লাখ টকাৰ জুৱা খেল অনুষ্ঠিত কৰিছে। দীপাৱলী-কালী পূজাৰ অচিলা লৈ দুদিন আগৰ পৰাই তিনিচুকীয়া জিলাৰ বিভিন্ন ঠাইত মুকলিকৈ জুৱা খেল অনুষ্ঠিত হৈছে। পূজা পাৰ্বণ, উৎসৱ আহিলেই একাংশই ইয়াৰ আলম লৈ বৃহৎ বৃহৎ অংকৰ জুৱা খেল অনুষ্ঠিত কৰি আহিছে। ইমানৰ পাছতো তিনিচুকীয়া জিলা আৰক্ষী প্ৰশাসনে মৌনতা অৱলম্বন কৰা বিষয়টোৱে সকলোকে আচৰিত কৰি তুলিছে। তিনিচুকীয়া আৰক্ষীৰ নিৰ্লিপ্ততাৰ বাবেই গাঁৱে-ভূঞে মুকলিকৈ ডাইছ, তিনপট্টি আদি জুৱা আয়োজন হৈছে। আনহাতে, নগৰৰ বহু নামী-দামী হোটেলৰ কোঠাত কোটি কোটি ...

## অনা...